# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১২/২১-২২
*Ref :*

তাৰিখ : ০১-০১-২০২২
*Date :*

## অসম জাতীয় বিদ্যালয়ৰ ঊনত্ৰিংশত্তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ১ জানুৱাৰী ঃ** ১৯৯৪ চনৰ ১ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা অসম জাতীয় বিদ্যালয়ৰ আজি ঊনত্ৰিংশত্তম (২৯তম) প্ৰতিষ্ঠা দিৱস। এই উপলক্ষে আজি বিদ্যালয়ৰ মুকলি মঞ্চত সম্পূৰ্ণ ক'ভিড বিধিৰ মাজেৰে এই দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৯ বজাত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে পতাকা উত্তোলনেৰে দিৱসৰ কাৰ্য্যসূচী আৰম্ভ কৰে। সভাত উপস্থিত থকা ব্যক্তিসকলৰ উদ্দেশ্যি দিয়া আদৰণী ভাষণত অধ্যক্ষ গৰাকীয়ে জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাৰ আঁৰৰ কিছু গুৰুত্বপূৰ্ণ কথা প্ৰকাশ কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্য্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী পৌৰনিগমৰ আয়ুক্ত দেৱাশীষ শৰ্মা। ভাষণ প্ৰসংগত শৰ্মা ডাঙৰীয়াই সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীৰ গ্ৰন্থৰ প্ৰসংগ উল্লেখ কৰি জাবৰ নিষ্কাষণেই সভ্যতাৰ প্ৰথমটো চিন বুলি কৈ মহানগৰখন পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। সৰু সৰু কামৰ মাজেৰেই একোটা বৃহৎ কৰ্ম সম্পাদন হৈ উঠিব পাৰে বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক বন্তি শেনছোৱা। তেওঁ বিদ্যালয়ৰ বছৰেকীয়া মুখপত্ৰ 'বাখৰ' উন্মোচন কৰে। নিজৰ ভাষণত সাহিত্যিক গৰাকীয়ে ভাষাৰ প্ৰসাৰ তথা উত্থানত ব্যক্তি বিশেষৰ ভূমিকাৰ পৰিৱৰ্তে সমগ্ৰ জাতিটোৰ অৱিহণা লুকাই থাকে বুলি মন্তব্য কৰে। ইংৰাজ জাতিৰ কৰ্মোদ্যমৰ প্ৰসংগ উল্লেখ কৰি বন্তি শেনছোৱাই প্ৰত্যাহ্বানেহে জীৱন গতিশীল কৰে বুলি উল্লেখ কৰি অসমীয়া ভাষা-সাহিত্যয়ো দুৰ্যোগ-সংকটৰ মাজতেই গতিশীল হৈ থাকিব বুলি মত প্ৰকাশ কৰে। এই অনুষ্ঠানতে 'বকুল ফুলৰ দৰে' গ্ৰন্থৰ বাবে শিশু সাহিত্য অকাডেমী বঁটা পোৱা বিশিষ্ট সাহিত্যিক তথা অসম জাতীয় বিদ্যালয়ৰ এগৰাকী অভিভাৱক মৃণাল কলিতাক বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। আনহাতে অনুষ্ঠানত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডা° নাৰায়ণ শৰ্মাই মানুহৰ জীৱনত আশা আৰু প্ৰত্যাহ্বান দুয়োটাৰ প্ৰয়োজন আছে বুলি কৈ সকলোকে জীৱন যুদ্ধত সাহসেৰে যুঁজি যাবলৈ আহ্বান জনায়। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ অভিভাৱক প্ৰতিনিধি তথা অসমৰ এগৰাকী বিশিষ্ট সাংবাদিক গৌতম শৰ্মাও উপস্থিত থাকি মাতৃভাষাতকৈ গুৰুত্বপূৰ্ণ আন একো কথা হ'ব নোৱাৰে বুলি মন্তব্য কৰে। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত বিদ্যালয়ত নতুনকৈ যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলক আনুষ্ঠানিকভাৱে চিনাকি কৰাই দিয়া হয়। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে নৃত্য, গীত আদি পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় প্ৰাক্-বিদ্যালয়ৰ মুৰব্বী শিক্ষয়িত্ৰী জুলি শইকীয়াই। অনুষ্ঠানটোৰ আঁত ধৰে দশম শ্ৰেণীৰ শিক্ষাৰ্থী সৃজন বৰুৱা, ৰক্তিম কমল ভৰদ্বাজ আৰু তন্ময়ী বৰ্মনে। অনুষ্ঠানটোৰ আহ্বায়ক হিচাপে সামগ্ৰিক পৰিচালনাৰ দায়িত্বত আছিল বিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী শিক্ষয়িত্ৰী কান্তাশ্ৰী গোস্বামী

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়